**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-08-2025 **Time :** 0705 Hrs.

***Assamese Morn. Bulletin***
***HEADLINES***

১। ভাৰত বিশ্বৰ সবাতোকৈ দ্ৰুত বিকাশশীল অৰ্থ ব্যৱস্থা আৰু শীঘ্ৰে বিশ্বৰ তৃতীয় সৰ্ববৃহৎ অৰ্থ ব্যৱস্থাৰূপে পৰিগণিত হ'ব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২। প্ৰধানমন্ত্ৰীয়ে বিজ্ঞানীসকলক গভীৰ মহাকাশৰ অন্বেষণৰ বাবে সাজু হ'বলৈ আহ্বান জনাইছে।

৩। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি দিল্লী বিধানসভাত দুদিনীয়া অখিল ভাৰতীয় অধ্যক্ষ সন্মিলন মুকলি কৰিব।

৪। ফিজিৰ প্ৰধানমন্ত্ৰী চিটিৱেনী লিগামামাডা ৰাবুকা তিনিদিনীয়া ভ্ৰমণসূচীৰে আজি সপত্নীক ভাৰতলৈ আহিব।

আৰু

৫। নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবে একেৰাহে দ্বিতীয়বাৰৰ বাবে ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত খিতাপ লাভ কৰিছে।

ooooooo

ভাৰত বিশ্বৰ সবাতোকৈ দ্ৰুত বিকাশশীল অৰ্থ ব্যৱস্থা আৰু শীঘ্ৰে বিশ্বৰ তৃতীয় সৰ্ববৃহৎ অৰ্থ ব্যৱস্থাৰূপে পৰিগণিত হ'ব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। দিল্লীত কালি এটা ব্যক্তিগত সংবাদগোষ্ঠীৰ এটা অনুষ্ঠানত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে ভাৰত দৃঢ়তাৰে বিশ্বৰ বাবে আশাৰ কিৰণ হৈ আছে। তেওঁ কয়, যে স্থুল অৰ্থনৈতিক সুস্থিৰতাৰ বাবে বিগত ১০ বছৰত দেশৰ বিকাশ হৈছে। দেশত মুদ্ৰাস্ফীতি আৰু ঋণৰ হাৰ কম হৈ আছে আৰু বিদেশী মুদ্ৰা ভাণ্ডাৰৰ স্থিতিও শক্তিশালী হৈ আছে বুলি শ্ৰী মোদীয়ে মন্তব্য কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে বিশ্বৰ বিকাশত ভাৰতৰ অৱদান শীঘ্ৰে প্ৰায় ২০ শতাংশ হ'ব বুলি বিশেষজ্ঞসকলে বিশ্বাস কৰে। তেওঁ কয়, যে সম্প্ৰতি ভাৰত সংস্কাৰ, প্ৰদৰ্শন আৰু পৰিৱৰ্তনৰ মন্ত্ৰৰে বিশ্বক মন্দাৱস্থাৰ পৰা উত্তৰণ কৰিব পৰা স্থিতিত আছে। প্ৰতিমাহে লাখ লাখ ঘৰুৱা বিনিয়োগকাৰীয়ে এছ আই পিৰ মাধ্যমেৰে বজাৰত কোটি কোটি টকা বিনিয়োগ কৰি আছে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। শ্ৰী মোদীয়ে কয়, যে ভাৰতত দেশতে নিৰ্মিত ষষ্ঠ প্ৰজন্মৰ প্ৰযুক্তিৰ কাম চলি আছে। দেশত অৰ্ধ পৰিবাহী খণ্ডৰ সৈতে জড়িত নিৰ্মাণ গোট স্থাপন কৰা হৈছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে চলিত বৰ্ষৰ শেষ ভাগলৈ দেশত নিৰ্মিত প্ৰথমটো চিপ বজাৰলৈ আহিব বুলি ঘোষণা কৰে। তেওঁ লগতে বিগত ১১ বছৰত ৬০ টাতকৈও অধিক মহাকাশ অভিযান সম্পূৰ্ণ হোৱাক লৈ সন্তুষ্টি প্ৰকাশ কৰে। এই বছৰো এনে কেইবাটাও অভিযানৰ পৰিকল্পনা কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয়, যে দেশে ইতিমধ্যে স্পেচ ডকিং অৰ্থাৎ দুখন দ্ৰুত গতিশীল মহাকাশযানক কক্ষপথত কাৰিকৰীভাৱে সংযুক্ত কৰি এটা একক গোটলৈ ৰূপান্তৰ কৰাৰ সামৰ্থ্য আহৰণ কৰিছে। প্ৰধানমন্ত্ৰীয়ে এই সামৰ্থ্যক ভৱিষ্যত অভিযানৰ বাবে বৃহৎ সাফল্য বুলি অভিহিত কৰে। তেওঁ কয়, যে দেশে গগনযান অভিযানৰ জৰিয়তে মহাকাশলৈ মহাকাশচাৰী প্ৰেৰণৰ প্ৰস্তুতি চলাই আছে। প্ৰধানমন্ত্ৰীয়ে গ্ৰুপ কেপ্তেইন শুভাংশু শুক্লাৰ অভিজ্ঞতাই এইক্ষেত্ৰত যথেষ্ট সহায় কৰিব বুলি মন্তব্য কৰে। আত্মনিৰ্ভৰ ভাৰতে উন্নত ভাৰতৰ ভেটি গঢ়ি তুলিব বুলি শ্ৰী মোদীয়ে প্ৰকাশ কৰে।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিজ্ঞানীসকলক গভীৰ মহাকাশৰ অন্বেষণৰ বাবে সাজু হ'বলৈ আহ্বান জনাইছে। ৰাষ্ট্ৰীয় মহাকাশ দিৱস উপলক্ষে কালি দিয়া এটা ভিডিঅ' বাৰ্তাত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে এই অজ্ঞাত ক্ষেত্ৰ মানৱ জাতিৰ ভৱিষ্যতৰ বাবে গুৰুত্বপূৰ্ণ ৰহস্যৰে ভৰি আছে। তেওঁ কয়, যে ভাৰতে ইতিমধ্যে চন্দ্ৰ আৰু মংগল গ্ৰহৰ অভিযান সফলতাৰে সম্পন্ন কৰিছে আৰু এতিয়া দেশে মহাকাশৰ গভীৰ ভাগৰ অন্বেষণ কৰাৰ সময় আহি পৰিছে। তেওঁ কয়, যে ভাৰতে ছেমি ক্ৰায়'জেনিক ইঞ্জিন আৰু ইলেক্ট্ৰিক প্ৰপালচনৰ লেখীয়া গুৰুত্বপূৰ্ণ প্ৰযুক্তিৰ ক্ষেত্ৰত ক্ষিপ্ৰতাৰে আগবাঢ়িছে। তেওঁ কয়, যে বিজ্ঞানীসকলৰ দৃঢ় প্ৰচেষ্টাৰে ভাৰতে শীঘ্ৰেই গগনযান অভিযান মুকলি কৰিব আৰু অনাগত সময়ত নিজৰ সুকীয়া মহাকাশ কেন্দ্ৰ নিৰ্মাণ কৰিব। তেওঁ লগতে যুৱ

নাগৰিকসকলক দেশৰ মহাকাশচাৰীৰ গোটত যোগদান কৰিবলৈ আৰু দেশৰ আকাংক্ষাক গতি দিবলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰীয়ে ব্যক্তিগত খণ্ডক আগবাঢ়ি আহিবলৈ আৰু পৰৱৰ্তী ৫ বছৰত মহাকাশ খণ্ডৰ বাবে ৫ টা ইউনিকৰ্ন অৰ্থাৎ ১০০ কোটি ডলাৰ মূল্যৰ ষ্টাৰ্টআপ প্ৰতিষ্ঠান গঢ়ি তুলিবলৈও আহ্বান জনায়।

০০০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি দিল্লী বিধানসভাত দুদিনীয়া অখিল ভাৰতীয় অধ্যক্ষ সন্মিলন মুকলি কৰিব। দেশৰ প্ৰথমগৰাকী নিৰ্বাচিত অধ্যক্ষ হিচাপে বিঠ্ঠলভাই পেটেলে কেন্দ্ৰীয় বিধানসভাৰ অধ্যক্ষ হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ শতবৰ্ষৰ সৈতে সংগতি ৰাখি এই সন্মিলনৰ আয়োজন কৰা হৈছে। দেশৰ ২৯ খন ৰাজ্যৰ বিধানসভাৰ অধ্যক্ষ আৰু ছখন ৰাজ্যৰ বিধান পৰিষদৰ সভাপতি আৰু উপ-সভাপতিয়ে এই সন্মিলনত অংশগ্ৰহণ কৰিব।

দিল্লী বিধানসভাৰ অধ্যক্ষ বিজেন্দ্ৰ গুপ্তাই কৈছে যে সন্মিলনত বিঠ্ঠলভাই পেটেলৰ জীৱন, সংসদীয় অৱদান আৰু স্বাধীনতা সংগ্ৰামত নেতাগৰাকীৰ ভূমিকাৰ ওপৰত আধাৰিত এখন প্ৰদৰ্শনীৰ আয়োজন কৰা হৈছে আৰু এখন বিশেষ তথ্যচিত্ৰ প্ৰদৰ্শনৰো দিহা কৰা হৈছে। সন্মিলনত বিঠ্ঠলভাই পেটেলৰ এটা স্মাৰক ডাক টিকটো মুকলি কৰা হ'ব বুলি অধ্যক্ষগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ কয়, যে লোকসভাৰ অধ্যক্ষ ওম বিৰলাই সন্মিলনৰ সামৰণি অনুষ্ঠানত অধ্যক্ষতা কৰিব। ৰাজ্যসভাৰ উপ-সভাপতি হৰিবংশ নাৰায়ণ সিং, কেন্দ্ৰীয় মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱট, কিৰেণ ৰিজিজু, লোকসভাৰ প্ৰাক্তন অধ্যক্ষ মীৰা কুমাৰ, দিল্লীৰ উপ-ৰাজ্যপাল বিনয় কুমাৰ চাক্সেনা আৰু দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই এই সন্মিলনত মূল  বক্তা হিচাপে আংশগ্ৰহণ কৰিব।

০০০০০০০০০

ফিজিৰ প্ৰধানমন্ত্ৰী চিটিৱেনী লিগামামাডা ৰাবুকা তিনিদিনীয়া ভ্ৰমণসূচীৰে আজি সপত্নীক ভাৰতলৈ আহিব। শ্ৰী ৰাবুকাৰ সৈতে দেশখনৰ স্বাস্থ্য আৰু চিকিৎসা সেৱা মন্ত্ৰী ৰাতু অটোনিঅ' লালবালাৱু আৰু জ্যেষ্ঠ বিষয়াসকলৰ এটা প্ৰতিনিধি দলো আহিব। বিদেশ মন্ত্ৰালয়ে এটা বিবৃতিযোগে কৈছে যে এয়া হ'ব প্ৰধানমন্ত্ৰী ৰাবুকাৰ প্ৰথম ভাৰত ভ্ৰমণ। অভ্যাগত প্ৰধানমন্ত্ৰীগৰাকীয়ে কাইলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰিব। তেওঁ লগতে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুকো দেখা কৰিব। শ্ৰী ৰাবুকাৰ এই ভ্ৰমণে ভাৰত আৰু ফিজিৰ মাজৰ পুৰণি আৰু শক্তিশালী সম্পৰ্ক অধিক সুদৃঢ় কৰিব বুলি আশা কৰা হৈছে।

০০০০০০০০০

ইউৰোপৰ একাধিক ডাক সেৱাই আমদানী শুল্কৰ অস্পষ্টতাৰ অভাৱত আমেৰিকালৈ সামগ্ৰী প্ৰেৰণ বন্ধ কৰি দিয়া বুলি ঘোষণা কৰিছে। জাৰ্মানী, চুইডেন আৰু ইটালীৰ ডাক সেৱাই তাৎক্ষণিকভাৱে কাৰ্য্যকৰী হোৱাকৈ আমেৰিকালৈ বহু সামগ্ৰী প্ৰেৰণ কাৰ্য্য বন্ধ ৰাখিছে। ফ্ৰাঞ্চ আৰু অষ্ট্ৰিয়াই কাইলৈৰ পৰা আৰু মঙলবাৰৰ পৰা যুক্তৰাজ্যই এই নীতি অনুসৰণ কৰিব।

যোৱা মাহত আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে স্বাক্ষৰ কৰা নীতি অনুসৰি পূৰ্বে আমদানী শুল্ক ৰেহাই দিয়া আন্তঃৰাষ্ট্ৰীয় সামগ্ৰীৰ ক্ষেত্ৰত অহা ২৯ আগষ্টৰ পৰা শুল্ক আৰোপ কৰিব। অৱশ্যে ১০০ মাৰ্কিন ডলাৰতকৈ কম মূল্যৰ চিঠি, কিতাপ, উপহাৰ সামগ্ৰী আৰু সৰু সৰু পাৰ্ছেলৰ ক্ষেত্ৰত এই শুল্ক প্ৰযোজ্য নহ'ব।

যোৱা মাহত আমেৰিকা আৰু ইউৰোপীয় সংঘই আমেৰিকালৈ ইউৰোপীয় ইউনিয়নৰ পৰা প্ৰেৰণ কৰা বহু সামগ্ৰীৰ ক্ষেত্ৰত ১৫ শতাংশ শুল্ক আৰোপ কৰা সিদ্ধান্তত সহমত প্ৰকাশ কৰিছিল।

বৰ্তমান বহু ইউৰোপীয় ডাক সেৱাই অহা ২৯ আগষ্টৰ পূৰ্বে আমেৰিকালৈ সামগ্ৰী প্ৰেৰণৰ নিশ্চয়তা দিব নোৱৰাৰ বাবে দেশখনলৈ সামগ্ৰী প্ৰেৰণ কাৰ্য্য বন্ধ কৰি দিছে।

০০০০০০০০০

ইজৰাইলী আক্ৰমণত গাজাত কমেও ৫১ গৰাকী পেলেষ্টাইনী নিহত হৈছে । এটা ব্যক্তিগত টি ভি চেনেলৰ সূত্ৰত প্ৰকাশ পোৱা তথ্যমতে চেনেলটোৱে গাজা চহৰৰ সমীপৰ চাব্ৰাত ইজৰাইলী টেংক প্ৰৱেশ কৰাৰ ফুটেজ

লাভ কৰিছে। ইয়ে গাজাভূমিত স্থল যুদ্ধৰ সম্প্ৰসাৰণ কৰিব পাৰে বুলিও সুত্ৰটোৱে আশংকা প্ৰকাশ কৰিছে। বিগত সপ্তাহত কেইবাবাৰো ইজৰাইলী আক্ৰমনৰ থলী হৈ পৰা জেইটাউনৰ সমীপত এই চাব্ৰাভূমি অৱস্থিত। কালি দক্ষিণ গাজাৰ আচ্‌দা অঞ্চলত তম্বুৰ ভিতৰত আশ্ৰয় লৈ থকা লোকসকলক কেন্দ্ৰ কৰি ইজৰাইলে কৰা আক্ৰমণত ৬টি শিশুকে ধৰি ১৬ জন লোকৰ মৃত্যু হয়। মানৱীয় সাহায্য বিচৰাৰ সময়তো কমেও আন ১৬ জন লোকৰ মৃত্যু হয়। ইয়াৰ পূৰ্বে পেলেষ্টাইনী স্বাস্থ্য কৰ্তৃপক্ষই জনোৱা মতে দুগৰাকী শিশুকে ধৰি ৮ জনতকৈও বেছি পেলেষ্টাইনী লোকৰ যোৱা দুদিনত পুষ্টিহীনতাজনিত কাৰণত মৃত্যু হৈছে। ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্টনিঅ' গুটাৰ্ছে গাজাৰ এই দুৰৱস্থাৰ বাবে আক্ষেপ প্ৰকাশ কৰিছে। কিয়নো গাজাত আনুষ্ঠানিকভাৱে দুৰ্ভিক্ষপিড়ীত অঞ্চল বুলি ঘোষণা কৰা হৈছে। অৱশ্যে ইজৰাইলে এই অভিযোগক 'ভুৱা' বুলি অভিহিত কৰিছে।

০০০০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰত সংঘটিত এটা বাছ দুৰ্ঘটনাত ভাৰতীয় নাগৰিককে ধৰি ৫ জন লোক নিহত হোৱাৰ লগতে ৫৪ জন লোক আহত হৈছে। নাইজেৰীয়া জলপ্ৰপাত দৰ্শন কৰি নিউয়ৰ্ক মহানগৰীলৈ পৰ্য্যটক কঢ়িয়াই অনা বাছখন কালি বুফালুৰ সমীপৰ ঘাইপথত দুৰ্ঘটনাত পতিত হয়। দুৰ্ঘটনাগ্ৰস্ত বাছখনত দুগৰাকী বাছকৰ্মীও আছিল বুলি আৰক্ষী সুত্ৰত প্ৰকাশ পাইছে। বাছখনৰ বেছিভাগ যাত্ৰী ভাৰতীয়, চীনা আৰু ফিলিপিনিঅ' আছিল।

00000000

নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবে ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত পুনৰ খিতাপ জয় কৰি দ্বিতীয়বাৰৰ বাবে এই প্ৰতিযোগিতাৰ ছেম্পিয়ন হোৱাৰ গৌৰৱ অৰ্জন কৰিছে। কলকাতাৰ ছল্ট লেক যুব ভাৰতী ক্ৰীড়াংগনত অনুষ্ঠিত ফাইনেলত কালি দলটোৱে ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাবক ৬-১ গ'লত পৰাস্ত কৰে। খেলৰ প্ৰথমাৰ্ধত নৰ্থ ইষ্ট ইউনাইটেডে দুটা গ'ল দি বিপক্ষক চাপত ৰাখিবলৈ সমৰ্থ হয়। ইয়াৰ পাছতে ৫০, ৬৮, ৮১ আৰু ৮৬ মিনিটত দলটোৱে বাকী গ'লকেইটা দিবলৈ সমৰ্থ হয়। ইয়াৰ মাজতে ৬৮ মিনিটত ডায়মণ্ড হাৰ্বাৰ দলে প্ৰথম আৰু একমাত্ৰ গ'লটো দিয়ে। নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবৰ হৈ আচিৰ আখটাৰ, পাৰ্থিৱ গগৈ, থৈ সিং, আজাৰাই, এণ্ড্ৰেছ য'ছ, জাইৰ' বুস্তাৰাই গ'ল দিয়ে। ডায়মণ্ড হাৰ্বাৰৰ হৈ লুকা মাইছেনে একমাত্ৰ গ'লটো দিয়ে। প্ৰতিযোগিতাত ৮ টা গ'ল দিয়া আজাৰাই গল্ডেন ব'ল আৰু গল্ডেন বুট লাভ কৰে। নৰ্থ ইষ্ট ইউনাইটেডৰ গুৰমিতক শ্ৰেষ্ঠ গ'লৰক্ষকৰ সন্মান দিয়া হয়।

০০০০০০০০০

**সমাপ্ত**